DAILY ASSAM

## ৭। সংস্কৃত তদ্ধিত প্ৰত্যয়

অসমীয়া ভাষাত ব্যৱহাৰ হোৱা সংস্কৃত তদ্ধিত প্ৰত্যয়ান্ত শব্দকেইটিৰ প্ৰত্যয়সমূহ তলত উল্লেখ কৰা হ'ল।

**৭ ঃ ১ ষ্ণ (অ) ঃ**

(ক) অপত্যাৰ্থে— মনু + ষ্ণ = মানৱ। তেনেকৈ— কৌৰৱ, ৰাঘৱ, পাণ্ডৱ, যাদৱ, বাসুদেৱ, দানৱ ইত্যাদি।

(খ) বিকাৰ অৰ্থত— হিম + ষ্ণ = হৈম, তিল + ষ্ণ = তৈল।

(গ) ভাব অৰ্থত— গুৰু + ষ্ণ = গৌৰৱ। তেনেকৈ শৈশৱ, কৌশল, লঘু-লাঘৱ।

(ঘ) সম্বন্ধীয় অৰ্থত— দেৱ = ষ্ণ = দৈৱ, পৃথিৱী— পাৰ্থিৱ।

(ঙ) উপাসক অৰ্থত— শিৱ + ষ্ণ = শৈৱ, শক্তি + ষ্ণ = শাক্ত, বিষ্ণু + ষ্ণ = বৈষ্ণৱ।

**৭ ঃ ২ ষ্ণি (ই) ঃ**

(ক) অপত্যাৰ্থত— দ্ৰোণী + ষ্ণি = দ্ৰোণি, দাশৰথি, ৰাৱণি।

**৭ ঃ ৩ ষ্ণ্য (য) ঃ**

(ক) অপত্যাৰ্থত— দিতি + ষ্ণ্য = দেত্য, আদিতি + ষ্ণ্য = আদিত্য।

(খ) ভাব অৰ্থত— ধীৰ + ষ্ণ্য = ধৈৰ্য, মাধুৰ্য, সৌন্দৰ্য, বাণিজ্য, অভিজাত্য— বীৰ-বীৰ্য, চোৰ— চৌৰ্য।

(গ) স্বাৰ্থত— বন্ধু + ষ্ণ্য = বান্ধৱ, মৰ্ত + ষ্ণ্য = মৰ্ত্য, সমান + ষ্ণ্য = সামান্য।

(ঘ) সম্বন্ধীয় অৰ্থত— কবি + ষ্ণ্য = কাব্য, দন্ত + ষ্ণ্য = দন্ত্য, বন + ষ্ণ্য = বন্য।

**৭ ঃ ৪ ষ্ণায়ন (আয়ন) ঃ**

(ক) অপত্যাৰ্থে— কাত্য + ষ্ণায়ন = কাত্যায়ন।

**৭ ঃ ৫ ষ্ণেয় (এয়) ঃ**

(ক) অপত্যাৰ্থে— গংগা + ষ্ণেয় = গাংগেয়, কুন্তী + ষ্ণেয় = কৌন্তেয়।

**৭ ঃ ৬ ষ্ণিক (ইক) ঃ**

(ক) অপত্যাৰ্থে— ৰেৱতী-ৰেৱতীক, অশ্বপাল-অশ্বপালিকা।

(খ) সম্বন্ধীয় অৰ্থত— অৰ্থ— আৰ্থিক, লোক— লৌকিক, নগৰ— নাগৰিক, ইতিহাস-ঐতিহাসিক, মূল-মৌলিক, যন্ত্ৰ— যান্ত্ৰিক। সমাজ— সামাজিক, সম্প্ৰদায়— সাম্প্ৰদায়িক, নীতি— নৈতিক। সেনা— সৈনিক, মুখ— মৌখিক, নৌ—নাৱিক, দিন— দৈনিক। শৰীৰ—শাৰীৰিক, যোগ— যৌগিক, তৰ্ক— তাৰ্কিক, বেদ— বৈদিক।

**৭ ঃ ৭ ষ্ণী (ঈয়া) ঃ**

(ক) সম্বন্ধীয় অৰ্থত— দেশ—দেশীয়, বৰ্গ—বৰ্গীয়, ৰাষ্ট্ৰ— ৰাষ্ট্ৰীয়, জাতি— জাতীয়, শাস্ত্ৰ— শাস্ত্ৰীয়, স্থান—স্থানীয়, স্বৰ্গ—স্বৰ্গীয়, শৰত—শাৰদীয়, পাণিনি—পাণিনীয়, নাৰদ—নাৰদীয়।

**৭ ঃ ৮ ত্ব আৰু তা (তল্) ঃ**

(ক) ভাব অৰ্থত— মনুষ্য + ত্ব = মনুষ্যত্ব বা তা = মনুষ্যতা,
সাধু + ত্ব = সাধুত্ব, বা সাধু + তা = সাধুতা,
লঘু— লঘুত্ব, লঘুতা, আত্মীয়—আত্মীয়তা,
দাস— দাসত্ব, পশু—পশুত্ব, সতী— সতীত্ব,
নাৰী— নাৰীত্ব, মাতৃ—মাতৃত্ব, ভীৰু— ভীৰুতা।

**৭ ঃ ৯ ইন্ আৰু বিন ঃ**

আছে অৰ্থত— জ্ঞান + ইন্ = জ্ঞানীন ; মান + ইন্ = মানীন্, মানী ; মায়া + বিন্ = মায়াবিন্, মায়াবী ; মেধা + বিন্ = মেধাবী, তপস্ + বিন্ = তপস্বী। তট + ইন্ = তটিনী (স্ত্ৰী) ; ধন + ইন্ = ধনী ; কৰ্ম + ইন্ = কৰ্মী।

**৭ ঃ ১০ ইমন্ ঃ**

ভাবাৰ্থত— মহৎ + ইমন্ = মহিমা ; লঘু—লঘিমা ; ৰক্ত—ৰক্তিম ; নীল—নীলিমা ; গুৰু—গৰিমা ; প্ৰিয়—প্ৰেম ; অণু—অণিমা ; মধুৰ—মধুৰিমা।

**৭ ঃ ১১ মত্ আৰু ৱত্ ঃ**

আছে অৰ্থত— জ্ঞান আছে জ্ঞান + বান্ = জ্ঞানবান্, জ্ঞানৱন্ত, বিদ্যা—বিদ্যা + বান্, বিদ্যাৱন্ত, শ্ৰীমান, শ্ৰীমন্ত, (স্ত্ৰীলিংগত— শ্ৰীমতী)। তেনেকৈ ভগৱান্, দয়াৱান্, ৰূপৱান্, গুণৱান্।

**৭ ঃ ১২ ইত ঃ**

জাত অৰ্থত— পুষ্প + ইত = পুষ্পিত, দুঃখ + ইত = দুঃখিত, পুলক + ইত = পুলকিত, পণ্ডা (শাস্ত্ৰজ্ঞান) + ইত = পণ্ডিত, আনন্দ— আনন্দিত, কলংক— কলংকিত, গৰ্ব + ইত = গৰ্বিত।

**৭ ঃ ১৩ শালিন্ ঃ**

আছে অৰ্থত— শক্তি + শালিন্ = শক্তিশালী বা শক্তিমান, ধন-ধনশালী, ধনৱান্।

**৭ ঃ ১৪ ল, শ, ইল ঃ**

আছে অৰ্থত— শ্ৰী + ল = শ্ৰীল, শ্যাম + ল = শ্যামল, পিংগল, লোমশ, কৰ্কশ, ফেনিল, জটিল, পংকিল, কুটিল।

**৭ ঃ ১৫ ময়ট্ (ময়) ঃ**

বিকাৰ, অবয়ৱ, পূৰ্ণ, সংসৰ্গ আৰু অভেদ অৰ্থত—

মৃত্তিকাৰে সজা + মৃত্— ময়ট্ = মৃন্ময়, ঘৃত— ঘৃতময়, বিষ্ণুময়, জলময়, ৰোগময়, চিত্ + ময় = চিন্ময়, জ্ঞান + ময় = জ্ঞানময়, পাপময়।

**৭ ঃ ১৬ মিন্ (ইন) ঃ**

স্ব শব্দৰ পিছত মিন্ আছে অৰ্থত— স্ব + মিন্ = স্বামী, নাম বুজাবলৈ— গো-স্ব + মিন্ = গোস্বামী।

**৭ ঃ ১৭ বিন্ (ইন্) ঃ**

মেধা, মায়া আৰু অস্ শব্দৰ পিছত আছে অৰ্থত মেধা + বিন্ = মেধাবী, স্ত্ৰী, মেধাবিনী। মায়া + বিন্ = মায়াবী, স্ত্ৰী, মায়াবিনী, যশস্ + বিন্ = যশস্বী, স্ত্ৰী, যশস্বিনী, তপস্ + বিন্ = তপস্বী, স্ত্ৰী, তপস্বিনী।

**৭ ঃ ১৮ ৰ ঃ**

আছে অৰ্থত মধু + ৰ = মধুৰ, পাণ্ডু + ৰ = পাণ্ডুৰ, মুখ + ৰ = মুখৰ (স্ত্ৰী) মুখৰা।

**৭ ঃ ১৯ আলু ঃ**

আছে অৰ্থত— নিদ্ৰা + আলু = নিদ্ৰালু, তন্দ্ৰা + আলু = তন্দ্ৰালু, দয়া— দয়ালু, শ্ৰদ্ধা— শ্ৰদ্ধালু, কৃপা— কৃপালু।

**৭ ঃ ২০ ডামহ (মহ), ডুল (উল), ব্য ঃ**

পিতৃ-মাতৃ শব্দৰ পিছত ব্যৱহাৰ হয়। পিতাৰ পিতা = পিতামহ, পিতাৰ মাতা = পিতামাহী, মাতাৰ পিতা = মাতামহ, মাতাৰ মাতা = মাতামহী। মাতাৰ ভাই = মাতুল, পিতৃৰ ভাব = পিতৃব্য।

**৭ ঃ ২১ ধাচ্, থাচ্ ঃ**

সংখ্যাবাচক শব্দৰ পিছত— দুই প্ৰকাৰ দ্বিধা, বহু প্ৰকাৰ বহুধা। সৰ্বনাম শব্দৰ পিছত— সৰ্বপ্ৰকাৰ—সৰ্বথা, অন্য প্ৰকাৰ—অন্যথা, যদ্ + থাচ্, যথা, তথা।

**৭ ঃ ২২ তস্ (তঃ) ঃ**

অধিকৰণৰ অৰ্থত সংজ্ঞা বা সংখ্যাবাচক শব্দৰ পিছত তস্ হয়। যেনে, প্ৰথমত- প্ৰথমতঃ, ধৰ্মত— ধৰ্মতঃ, বিশেষৰূপে— বিশেষতঃ।

**৭ ঃ ২৩ দা ঃ**

কাল বুজাবলৈ ব্যৱহাৰ হয়। এক কালত— একদা, সৰ্বকাল— সৰ্বদা, তেনেকৈ যদা, তদা।

**৭ ঃ ২৪ চ্বি ঃ**

আগে নাছিল এতিয়া হ'ল, এনে অৰ্থত ব্যৱহাৰ হয়। চ্বি সমূলি ইৎ। বশ + চ্বি + ভূত = বশীভূত, দূৰ + চ্বি + ভূত = দূৰীভূত। বশ্ + চ্বি + কৰণ = বশীকৰণ।

**৭ ঃ ২৫ কণ, আকিন্ ঃ**

নিৰাশ্ৰয় অৰ্থত এক শব্দৰ পিছত ব্যৱহাৰ হয়। যেনে, এক + কণ = একক, এক + আকিন্ = একাকী।

**৭ ঃ ২৬ ক ঃ**

স্বাৰ্থে বহে। মৃত + ক = মৃতক, দত্ত + ক = দত্তক। অপুত্ৰ— অপুত্ৰক।

**৭ ঃ ২৭ তৰ, তম ঃ**

তুলনাৰ্থে ব্যৱহাৰ হয়। দুটাৰ ভিতৰত এটাৰ উৎকৰ্ষাদি বুজাবলৈ তৰ আৰু বহুতৰ ভিতৰত বুজালে তম ব্যৱহাৰ হয়।

| দুটাৰ ভিতৰত— 'তৰ' | বহুতৰ ভিতৰত— 'তম' |
|---|---|
| গুৰু— গুৰুতৰ | গুৰু— গুৰুতম |
| বৃদ্ধ— বৃদ্ধতৰ | বৃদ্ধ— বৃদ্ধতম |
| লঘু— লঘুতৰ | লঘু— লঘুতম |
| প্ৰিয়— প্ৰিয়তৰ | প্ৰিয়— প্ৰিয়তম |
| বিজ্ঞ— বিজ্ঞতৰ | বিজ্ঞ— বিজ্ঞতম |

**৭ ঃ ২৮ ঈয়স্ আৰু ইষ্ঠ ঃ**

| তুলনা অৰ্থত— দুটাৰ ভিতৰত— ঈয়স্ | বহুতৰ ভিতৰত— ইষ্ঠ |
|---|---|
| লঘু, লঘীয়স্—লঘীয়ান, | লঘু— ইষ্ঠ—লঘিষ্ঠ |
| গুৰু, গুৰু + ঈয়স্ = গৰীয়স্, গৰীয়ান্ | গুৰু— গৰিষ্ঠ |
| বৃদ্ধ— বৰ্ষীয়ান, জ্যায়ান্ | বৰ্ষিষ্ঠ, জ্যেষ্ঠ |
| প্ৰশস্য, শ্ৰেয়স, শ্ৰেয়ান্ | শ্ৰেষ্ঠ, জ্যেষ্ঠ |
| প্ৰিয়—প্ৰেয়স্, প্ৰেয়ান, | প্ৰিয়—প্ৰেষ্ঠ |
| বলবৎ, বলীয়ান্ | বলৱত্— বলিষ্ঠ |

**৭ ঃ ২৯ স্থানীয় জাতীয় ঃ**

তুল্যাৰ্থে— পিতাৰ তুল্য-পিতৃতুল্য, পিতৃস্থানীয়, বন্ধুস্থানীয়, ভাতৃস্থানীয়। জাতি, প্ৰকাৰ অৰ্থত— আৰ্যজাতীয়, বৈশ্যজাতীয়, একজাতীয়, নানাজাতীয় ইত্যাদি।

## পদ পৰিৱৰ্তন

বিভিন্ন উপায়ে এটি পদৰ শব্দক আন এটি পদলৈ পৰিৱৰ্তন কৰিব পাৰি। তলত বিভিন্ন পদৰ পৰিৱৰ্তন উল্লেখ কৰা হয়।

**(ক) বিশেষ্য পদক বিশেষণলৈ পৰিৱৰ্তন ঃ**

**(১) বিশেষ্য শব্দৰ লগত নামশব্দ যোগ কৰি ঃ**

কৰ—হিত + কৰ = হিতকৰ, সুখকৰ।

পৰ—স্বাৰ্থপৰ। পৰায়ণ—ধৰ্মপৰায়াণ, ন্যায়পৰায়ণ। যোগ্য—মৰণযোগ্য, সম্মানযোগ্য। শূন্য—লোকশূন্য, জ্ঞানশূন্য। হীন—জ্ঞানহীন, মানহীন, জনহীন। সম্পন্ন-ধনসম্পন্ন, বুদ্ধিসম্পন্ন। ভাজন— শ্ৰদ্ধাভাজন, প্ৰীতিভাজন। পূৰ্ণ—জ্ঞানপূৰ্ণ, জনপূৰ্ণ। বৎসল—প্ৰজাবৎসল, ভক্তবৎসল। উচিত = ৰাজোচিত, সময়োচিত। আকীৰ্ণ-জনাকীৰ্ণ। আকুল—শোকাকুল। আতুৰ— ভয়াতুৰ, তৃষ্ণাতুৰ, শোকাতুৰ। আপন্ন—বিপদাপন্ন। অন্বিত— চিন্তান্বিত, ক্ৰোধান্বিত, শোকান্বিত।

**(২) সংস্কৃত কৃৎ প্ৰত্যয়ৰ লগত ঃ**

অনীয়— আদৰ-আদৰণীয়, আলোচনা— আলোচনীয়, ভক্ষণ—ভক্ষণীয়।
কৰণ—কৰণীয়, ভোজন—ভোজনীয়।

তব্য—গমন—গন্তব্য। কৰণ—কৰ্তব্য।

য—কৰণ—কাৰ্য। ধৰণ— ধাৰ্য

DAILY ASSAM


ক্ত—দৰ্শন—দৃষ্ট। অন্তৰ্ধান—অন্তৰ্হিত।
অপহৰণ—অপহৃত। গ্ৰহণ—গৃহীত।
তৃণ—কৰণ—কৰ্তা।
অক—কৰণ—কাৰক। দৰ্শন—দৰ্শক।
ইন—কৰণ—কাৰী
মান—দৰ্শন—দৃশ্যমান। তেনেকৈ
আঘাত—আহত, সঞ্চয়—সঞ্চিত, উদ্বেগ— উদ্বিগ্ন, গোপন— গুপ্ত, মান—মান্য, ত্যাগ— ত্যাগী, ত্যক্ত, ভোগ— ভোগ্য।

**৩। সংস্কৃত তদ্ধিত প্ৰত্যয়ৰ যোগত ঃ**

ধন—ধনী, (ইন্) মানী, গুণী, জ্ঞানী, মেধা—মেধাৱী (ৱিন্) মায়াৱী, যশস্বী।
শ্ৰী—শ্ৰীমান (মতুপ), ধীমান। জ্ঞান—জ্ঞানৱান্ (বতুপ), ধনৱান্), পুত্ৰৱান্, গুণৱান্।
জল— জলময় (ময়ট্), ধনময়, স্বৰ্ণময়, মৃন্ময়।
নীতি— নৈতিক (ইক্), পাশৱিক, শাৰীৰিক, সাংসাৰিক।
দেশ—দেশীয় (ঈয়) বৰ্গীয়, ৰাষ্ট্ৰীয়, জাতীয়, স্থানীয়।
পুলক— পুলকিত (ইত), আনন্দিত, দুঃখিত, গৰ্বিত।
ধন— ধনশালী (শালিন্), শক্তিশালী। শ্যাম— শ্যামল, (ল)
শ্ৰীল, নিদ্ৰা— নিদ্ৰালু (লু), তন্দ্ৰালু, দয়ালু।

**(৪) অসমীয়া তদ্ধিত প্ৰত্যয়ৰ যোগত ঃ**

সাহ— সাহিয়াল, ৰাগীয়াল, বুধি—বুধিয়ক, খেতি— খেতিয়ক, ঘৰ—ঘৰচীয়া।

**(খ) বিশেষণ পদৰপৰা বিশেষ্য ঃ**

বিভিন্ন প্ৰত্যয় যোগত—
ত্ব, তা, অ, য, ইমন্ প্ৰত্যয় যোগত বিশেষ্য হয়—
গুৰু— গুৰুত্ব। সাধু—সাধুতা। লঘু—লঘুত্ব, লঘুতা। লঘু—লাঘৱ।
সহায়—সাহায্য, অস, আগতীয়া—আগ। খঙাল—খং।
সোণালী—সোণ, পনীয়া—পানী।

**(গ) ক্ৰিয়াৰপৰা বিশেষ্য আৰু বিশেষণ ঃ**

(১) কৃত (সংস্কৃত আৰু অসমীয়া) প্ৰত্যয়ৰ যোগেদি বিশেষ্য বা বিশেষণ কৰিব পাৰি।

| ক্ৰিয়া— | বিশেষ্য | বিশেষণ |
|---|---|---|
| কৰা— | কৃত্য, কাৰ্য, ক্ৰিয়া | কৰ্তব্য, কৃত, কৰণীয় |
| গা— | গীত, গীতি, গান | গায়ক |
| দান কৰা— | দান, | দত্ত, দাতব্য, দাতা |

(ঘ) সৰ্বনামৰপৰা বিশেষণ
মদীয়, তদীয়, ভৱদীয়।

(ঙ) অব্যয়ৰপৰা বিশেষণ—
পাশ্চাৎ—পাশ্চাত্য অকস্মাৎ—আকস্মিক।
এইদৰে এটি পদৰপৰা আন এটি পদলৈ পদবোৰ পৰিৱৰ্তন কৰিব পাৰি।